**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-OCT-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

———————————————

আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ আজি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হ'ব। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব। গুৱাহাটী মহানগৰীত আজিৰে পৰা প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-যটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা  গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। ডিব্ৰুগড় জিলা প্ৰশাসনে জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কাছাৰীঘাটত দেৱী প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত পূজা কমিটিসমূহ নীতি নিৰ্দেশনা দিয়া হৈছে। জিলাখনৰ নামৰূপ, নাহৰকটীয়া, ডুলিয়াজান, টেঙাঘাট, চাবুৱা, টিংখাং আদি অঞ্চলৰ পূজা সমিতিসমূহে দিহিং, চেঁচাকে ধৰি নদীসমূহত প্ৰতিমা বিসৰ্জনৰ বাবে ব্যৱস্থা লৈছে। কাচাৰ জিলাতো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্বৰ আয়োজন কৰা হৈছে। ইয়াৰ আগেয়ে মহিলাসকলে পৰস্পৰক মিঠাই খুৱাই সেন্দূৰ খেলিব। জিলাখনৰ শিলচৰ সদৰঘাটৰ বিসৰ্জন স্থলীত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে প্ৰতিমা বিসৰ্জন দিয়া হ'ব। কাচাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাতাই সকলো দিশ পৰ্যালোচনা কৰে। আজি আৰু কাইলৈ হ'বলগীয়া এই বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে তেওঁ যাৱতীয় নিৰ্দেশনা দিয়ে। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ এহেজাৰ ৫৯২ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

বিজয়া দশমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দৌপদী মুৰ্মুৱে সমগ্ৰ দেশৰাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱে সত্য আৰু ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ জনসাধাৰণক অনুপ্ৰাণিত কৰে। এই উৎসৱে ন্যায়, সমতা আৰু সমন্বয়ৰ সৈতে একগোট হৈ আগবাঢ়িবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বিজয়া দশমী উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে বিজয়া দশমী অশুভ আৰু অসত্যৰ ওপৰত শুভ আৰু সত্যৰ বিজয়ৰ প্ৰতীক। এই পৱিত্ৰ উৎসৱে সকলোকে সাহস, বুদ্ধি আৰু ভক্তিৰ পথেৰে নিৰন্তৰ অগ্ৰসৰ হোৱাৰ বাবে প্ৰেৰণা যোগাব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যাক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া বাৰ্তাত কয়, যে গান্ধীজীয়ে দিয়া শান্তি, সহনশীলতা আৰু সত্যৰ বাৰ্তা সমগ্ৰ মানৱজাতিৰ বাবে প্ৰেৰণা। অস্পৃশ্যতাৰ দৰে বিভিন্ন সামাজিক কু-সংস্কাৰ আঁতৰ কৰাৰ লগতে দুৰ্বল শ্ৰেণীক শক্তি আৰু সমৰ্থন আগবঢ়াবলৈ গান্ধীজীয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ কয়, যে গান্ধীজী সেৱা আৰু সহানুভূতিৰে জনসাধাৰণক সবলীকৰণৰ ওপৰত গুৰুত্ব দিছিল। বিকশিত ভাৰত গঢ়াৰ পথত গান্ধীজীৰ আদৰ্শ দেশে সদাই অনুসৰণ কৰিব বুলি তেওঁ মন্তব্য কৰে।

রাজ্যৰ বিভিন্ন প্ৰান্তত আজি গান্ধী জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গোৱালপাৰা জিলাত আজি পুৱাই চাফাই অভিযান ৰূপায়ণ কৰা হয়। ৰাজ্যৰ অন্যান্য প্ৰান্ততো গান্ধী জয়ন্তী উপলক্ষে প্ৰাৰ্থনা সভা আৰু অন্যান্য কাৰ্যসূচী লোৱা হৈছে।

০০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ্ আই টিয়ে গ্ৰেপ্তাৰ কৰা শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ্ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয় যে পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দলটোৱে ছিংগাপুৰত গৈ তদন্ত কৰিব। তেওঁ লগতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ পৰা সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী তথা অন্যান্য নথিপত্ৰ জব্দ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত কালি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। যোৰহাট ষ্টেডিয়ামত আয়োজিত এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম আদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে কালি এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। কৰ্ণাটকৰ কান্নাড়া সংগীতৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ অৱদানৰ কথা সুঁৱৰি শ্ৰীশিৱকুমাৰে কৰ্ণাটকত বাস কৰা অসমীয়া লোকসকলে শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে কৰ্ণাটক চৰকাৰক এটুকুৰা ভূমি বিচাৰি অনুৰোধ জনোৱাৰ কথা উল্লেখ কৰে।

০০০০০০

সমাপ্ত